

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ - ৬

মানৱসৃষ্ট পৰিৱেশ আৰু মানৱ সম্পদ

অংশ – ২

জ্যোতি দাস

শিকনৰ ফলাফল

- মানৱসৃষ্ট পৰিৱেশৰ পৰা হোৱা ক্ষতি সমূহ আৰু তাৰ প্ৰতিকাৰৰ বিষয়ে জানিম।
- সম্পদ হিচাপে মানুহ আৰু সম্পদ সৃষ্টিৰ কাৰক হিচাপে মানুহ, এই সম্পৰ্কে ধাৰণা হ'ব ।

ক্ষতি	প্ৰতিকাৰ
1. মানৱসৃষ্ট উদ্যোগসমূহৰপৰা নিৰ্গত হোৱা বিষাক্ত ধোৱা, ৰাসায়নিক দ্ৰব্য আৰু পেলনীয়া বস্তু আদিয়ে বায়ু, পানী আৰু মাটি প্ৰদূষিত কৰে।	1. পেলনীয়া সামগ্ৰীৰ উপযুক্ত নিষ্কাশণ ব্যৱস্থা কৰা আৰু উদ্যোগৰ আশে-পাশে পৰ্যাপ্ত পৰিমাণে বৃক্ষৰোপণ কৰা।
2. বনাঞ্চল ধ্বংস কৰি ঘৰ, উদ্যোগ আদি নিৰ্মাণ কৰাৰ ফলত বনৰীয়া জীৱ-জন্তুৰ আশ্ৰয় স্থল কমি যোৱাৰ উপৰি খাদ্যৰ অভাৱত জনবহুল অঞ্চলত বনৰীয়া জীৱ-জন্তুৱে মুক্ত বিচৰণ কৰি মানুহৰ প্ৰতি ভাবুকিৰ লগতে সম্পত্তি ধ্বংস কৰে।	2. বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থা কৰা।

ক্ষতি	প্ৰতিকাৰ
3. যধে-মধে পাহাৰৰ মাটি কাটি ঘৰ নির্মাণ কৰাৰ ফলত কৃত্রিম বানপ্রানী, ভূমিস্খলন আদিৰ বাবে মানুহৰ প্রাণ হানি আৰু সা-সম্পত্তি ক্ষতি সাধন হয়।	3. পাহাৰৰ মাটি কটা বন্ধ কৰা।
4. ব্যক্তিগত যান-বাহনৰ অত্যধিক ব্যৱহাৰে বায়ু প্রদূষণ ঘটায়।	4. পার্যমানে ৰাজহুৱা যাতায়াত ব্যৱস্থা যেনে- ৰে'ল, বাছ্ আদিত ভ্রমণ কৰা আৰু প্রদূষণমুক্ত যাতায়াত যেনে- চাইকেল, ইলেকট্রিক গাড়ী আদিৰ ব্যৱহাৰ কৰা।

ক্ষতি	প্রতিকাৰ
5. প্লাষ্টিক যধে-মধে পেলালে মাটি প্রদূষিত হয়, জলজ প্রাণীবোৰৰ ক্ষতি সাধন হয়, নলা-নর্দমা বন্ধ হৈ কৃত্রিম বানপানীৰ সৃষ্টি হয়। প্লাষ্টিক জ্বলোৱাৰ ফলত বায়ু প্রদূষিত হয়।	5. প্লাষ্টিক ব্যৱহাৰ হ্রাস কৰি তাৰ পৰিৱর্তে জৈৱিকভাৱে পচন যোগ্য সামগ্রী ব্যৱহাৰ কৰা।
6. পেলনীয়া জাৱৰ-জোঁথৰে উপযুক্ত ব্যৱস্থাপনাৰ অভাৱত পৰিৱেশৰ ওপৰত বৰ বেয়া প্রভাৱ পেলায়।	6. পচনযোগ্য আৰু পচন নঘটা পেলনীয়া বস্তুৰ পৃথকীকৰণ কৰি পুণৰ ব্যৱহাৰৰ উপযোগী কৰি তোলা।

ক্ষতি	প্ৰতিকাৰ
7. ব্যপকভাৱে গছ-গছনি কাটি পকী ৰাস্তা, উদ্যোগ, ঘৰ, নগৰ নিৰ্মাণৰ ফলত পৰিৱেশৰ ভাৰসাম্য নোহোৱা হৈ পৰিছে।	7. বৃক্ষৰোপণ আৰু বৃক্ষ সংৰক্ষণ কৰা।
৪. কৃষিকাৰ্যত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্যই মাছ, পোক-পৰুৱা, বেং, চৰাই আদিৰ অন্যায় কৰাৰ ফলস্বৰূপে জীৱ-জগতৰ ব্যাপক ক্ষতি সাধন হয়।	৪. জৈৱিক পদ্ধতিৰে কৃষিকাৰ্য কৰা।

ক্ষতি	প্ৰতিকাৰ
9. বিল, জলাশয় আদি পুতি পেলোৱাৰ ফলত মূলতঃ প্ৰাকৃতিক জলসংযোগ ব্যৱস্থাটো ব্যাহত হয়।	9. বিল, খাল আদিৰ উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰা।
10. বৃহৎ নদীবান্ধৰ ফলত নদীৰ প্ৰাকৃতিক গতি ধ্বংস হয়, গৰাখহনীয়াৰ সৃষ্টি হয়, বানপানী হয়।	10. বিকল্প হিচাপে সৌৰশক্তিৰ ব্যৱস্থা কৰা আৰু নদীৰ পাৰে পাৰে বৃক্ষৰোপন কৰি পৰিৱেশ সুৰক্ষিত কৰা।
11. উৎসৱত ফটকা ফুটোৱাৰ ফলত মানুহৰ ক্ষতি হোৱাৰ লগতে চৰাই-চিৰিকটি, জীৱ-জন্তু আদিও ক্ষতিগ্ৰস্ত হয়।	11. শব্দ প্ৰদূষণ হ'ব পৰা কাৰ্যৰ পৰা বিৰত থকা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মানৱ সম্পদ (Human Resource)



- আর্থিক মূল্য থকা দ্রব্যসমূহ হৈছে সম্পদ।
- মানুহেও সমাজৰ কল্যাণৰ হকে কৰা কামৰ আর্থিক মূল্য আছে।
- এই হিচাপে মানুহো সম্পদ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



- যিসকল ব্যক্তি শাৰীৰিক আৰু মানসিকভাৱে কোনো উৎপাদনমুখী কাম কৰি সমাজৰ বিকাশত অৰিহণা আগবঢ়াবলৈ সক্ষম সেইসকল ব্যক্তি মানৱ সম্পদ।
- মানুহে নিজৰ জ্ঞান-বুদ্ধিৰ জৰিয়তে নতুন নতুন আৱিষ্কাৰ কৰি আহিছে আৰু প্ৰাকৃতিক পৰিৱেশৰপৰা আহৰণ কৰা বিভিন্ন উপাদানবোৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিছে।
- এই গুণৰ বাবেই আন সকলো সম্পদৰ তুলনাত মানুহ হৈছে শ্ৰেষ্ঠ সম্পদ।

মূল্যায়ন



1 শব্দ প্রদুষণে জীৱ – জন্তু, চৰাই – চিৰিকটিক ক্ষতিগ্রস্থ কৰে ।



ক শুদ্ধ

খ অশুদ্ধ

মূল্যায়ন





2| মানুষ ..... সকলোতকৈ শ্রেষ্ঠ সম্পদ।